# পূৰবী ডেইৰী

## পশ্চিম অসম দুগ্ধ উৎপাদক সমবায় সংঘ লিমিটেড (ৱামূল)

পাঞ্জাবাৰী, গুৱাহাটী- ৩৭

**ৰেফ.ঃ এপাৰ্ট/এম এ আই টি এছ/২১** **তাৰিখ ঃ ২৫-০১-২০২১**

## ভ্ৰাম্যমাণ কৃত্ৰিম প্ৰজনন কৰ্মকৰ্তাৰ বাবে আবেদনৰ জাননী

অসম চৰকাৰে আসাম এগ্ৰি বিজনেছ এণ্ড ৰুৰেল ট্ৰান্সফৰ্মেশ্যন প্ৰজেক্ট (এ পি এ আৰ টি)ৰ বাবে বিশ্ব বেংকৰ পৰা ঋণ লাভ কৰিছে। আসাম ৰুৰেল ইনফ্ৰাষ্ট্ৰাকশ্যাৰ এণ্ড এগ্ৰিকালচাৰেল ছাৰ্ভিচেজ চ'ছাইটি (এ আৰ আই এ এছ) ইয়াৰ শীৰ্ষ সমন্বয়ক আৰু পৰ্য্যবেক্ষণ এজেঞ্চি আৰু পশ্চিম অসম দুগ্ধ উৎপাদক সমবায় সংঘ লিমিটেড (ৱামূল) অন্যান্য ৰূপায়ণ এজেঞ্চিসমূহৰ ভিতৰত এটি ৰূপায়ণ এজেঞ্চি।

এই প্ৰকল্পৰ অধীনত ৱামূলে এম এ আই টি এছৰ আহিত পদুলিত গৰুৰ কৃত্ৰিম প্ৰজননৰ বাবে স্থানীয় যুৱকসকলক মুঠ ১২০ দিনীয়া প্ৰশিক্ষণৰ অন্তত এই প্ৰকল্প ৰূপায়ণৰ বাবে সামৰি ল'ব। ইয়াৰ বাবে ৰাষ্ট্ৰীয় ডেইৰী ডেভেলপমেন্ট বৰ্ড (এন ডি ডি বি)ৰ বিভিন্ন প্ৰশিক্ষণ কেন্দ্ৰত ৪৫ দিনীয়া বুনিয়াদী কৃত্ৰিম প্ৰজননৰ প্ৰশিক্ষণৰ বাবে আগ্ৰহী প্ৰাৰ্থীৰ পৰা আবেদন বিচৰা হৈছে। কৃত্ৰিম প্ৰজনন কৰ্মকৰ্তাসকলক প্ৰকল্প চলাকালীন সময়ত প্ৰয়োজনীয় আন্তঃগাঁথনি, বিত্তীয় সহায়তাৰ লগতে আনুসংগিক সা-সুবিধা প্ৰদান কৰা হ'ব আৰু এন ডি ডি বি - ডেইৰী সেৱা, দিল্লীৰ পৰা প্ৰয়োজনীয় জ্ঞান আৰু দক্ষতা আহৰণ কৰা পশু চিকিৎসা বিশেষজ্ঞসকলৰ দ্বাৰা তেওঁলোকৰ কাম-কাজৰ চোৱাচিতা কৰা হ'ব। ৬০ গৰাকীৰে সন্নিবিষ্ট গোটৰ বাবে আগ্ৰহী প্ৰাৰ্থীৰ পৰা ৱামূলে এম এ আই টিৰ বাবে আবেদন বিচাৰিছে। ৱামূলৰ ৱেবচাইট **www.purabi.org**ত ক্লাষ্টাৰ আৰু গাঁও অনুসৰি বিস্তৃত তথ্য দিয়া হৈছে। ওপৰোক্ত ৱেবচাইটত এম এ আই টিৰ আবেদনৰ জাননীও দিয়া হৈছে।

প্ৰাৰ্থীসকলে নিজৰ আবেদনৰ লগত একপি ৰঙীণ ফটো তলৰ ঠিকনাত পঠিয়াব লাগিব।

***'ভ্ৰাম্যমাণ কৃত্ৰিম প্ৰজনন কৰ্মকৰ্তাৰ বাবে আবেদন'***

**প্ৰজেক্ট কো-অৰ্ডিনেটৰ - এ পি এ আৰ টি**
পশ্চিম অসম দুগ্ধ উৎপাদক সমবায় সংঘ লিমিটেড (ৱামূল)
আৰ. কে. জ্যোতিপ্ৰসাদ আগৰৱালা পথ, পাঞ্জাবাৰী, গুৱাহাটী-৭৮১০৩৭

**আবেদনৰ অন্তিম তাৰিখ - ১৫ ফেব্ৰুৱাৰী, ২০২১।**

স্বাক্ষৰ/- পৰিচালন সঞ্চালক

**দৈনিক এগিলাছ গাখীৰ খোৱাৰ অভ্যাস গঢ়ি তোলক**